অসম বিধান সভা
তৰাবিহীন প্ৰশ্ন নং : ৪৪৪
উত্তৰ দানৰ তাৰিখ : ২২/০৭/২০২৬
*বিষয়ঃ* **কৃষকৰ পঞ্জীয়ন সম্পৰ্কে**
বিধায়কৰ নাম : শ্ৰীধৰ্মেশ্বৰ ৰয়ঃ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বৰ্তমানলৈ অসমত কিমান কৃষকে কৃষকৰ পঞ্জীয়ন কৰিলে? সমষ্টি ভিত্তিত তালিকা দিব।

(খ) কৃষকৰ বাবে কৃষিৰ যন্ত্ৰপাতিৰ ওপৰত ৰাজসাহাৰ্য্য বৃদ্ধিৰ নতুন কোনো পৰিকল্পনা গ্ৰহণ কৰিছে নে? জনাব।

(গ) বৰ্তমান বজালী সমষ্টিৰ কৃষক সকলৰ বাবে উন্নত বীজ আৰু সাৰ যোগান ধৰিবলৈ কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

(ঘ) বজালী সমষ্টিত কিমান হেক্টৰ কৃষি ভূমি আছে?

## <u>উত্তৰ</u>

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা দেৱে উত্তৰ দিব :

(ক) বৰ্তমানলৈ অসমত ১৩৪৯৭৬৬ জন কৃষকৰ পঞ্জীয়ন কৰা হ'ল। আৰু সেই তথ্য সমষ্টিভিত্তিত উপলব্ধ নহয়। জিলাভিত্তিক তথ্য Annexure-I ত সংযোজন কৰা হৈছে।

(খ) অসমত কৃষি বিভাগৰ জৰিয়তে ৰূপায়িত কেন্দ্ৰীয় চৰকাৰৰ অনুদান প্ৰাপ্ত 'কৃষি যান্ত্ৰিকীকৰণৰ উপ-অভিযান' (CSS-SMAM) আঁচনিৰ অধীনত বৰ্তমানলৈ কৃষি যন্ত্ৰপাতিৰ ওপৰত ৰাজসাহাৰ্য্য বৃদ্ধিৰ নতুন কোনো পৰিকল্পনা গ্ৰহণ কৰা হোৱা নাই।

(গ) বজালী সমষ্টিৰ কৃষকসকলৰ বাবে বতৰ ভিত্তিক (খাৰিফ আৰু ৰবি) বিভিন্ন উন্নত মানৰ প্ৰমাণীকৃত মুখ্য শস্য (Field Crops) আৰু উদ্যান শস্য (Horticultural Crops) ৰ বীজ জিলা কৃষি বিভাগ, বজালীৰ ফালৰ পৰা যোগান ধৰা হয়।

বৰ্তমান বজালী সমষ্টিৰ কৃষক সকলৰ বাবে NFSM আঁচনিৰ অধীনত শালিধানৰ বীজ (ৰঞ্জিত চাব-১) যোগান ধৰা হৈছে। NMEO-OS আঁচনিৰ অধীনত তিলৰ বীজ (Sesamum Seeds) আৰু Pulse Mission আঁচনিৰ অধীনত অৰহৰ আৰু মাটিমাহৰ বীজ বিতৰণৰ ব্যৱস্থা কৰা হৈছে। লগতে HMNEH আঁচনিৰ অধীনত আনাৰসৰ পুলি, আপেল বগৰীৰ পুলি, ক-ক-ৰাৰ পুলি, মধুৰীআমৰ পুলি আৰু কলম কৰা কঁঠালৰ পুলি বিতৰণৰ ব্যৱস্থা কৰা হৈছে।

লগতে কৃষকসকলৰ বাবে বজালী জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ জৰিয়তে উন্নত মানৰ আধুনিক তথা জৈৱিক সাৰ যোগানৰ পৰ্যাপ্ত ব্যৱস্থা কৰা হৈছে। শস্যৰ উন্নত বিকাশ আৰু অধিক উৎপাদনৰ বাবে ধানৰ বীজ, মাহজাতীয় শস্যৰ বীজ আদিৰ সৈতে ন্যানো ইউৰিয়া (Nano Urea), জৈৱিক এন.পি.কে. (Bio NPK), ZSB, PSB, জিংক ছালফেট (ZnSO4), বৰাক্স (Borax) ইত্যাদিৰ বিতৰণ কৰা হৈছে।

(ঘ) সমষ্টিভিত্তিত কোনো তথ্য সংগ্ৰহ কৰা নহয়। অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগৰ তথ্যমতে বজালী জিলাত ৩০৫৯৯ হেক্টৰ কৃষিভূমি আছে। তাৰ ভিতৰত বজালী ৰাজহ চক্ৰৰ কৃষি ভূমিৰ পৰিমাণ ১৬২৬৯ হেক্টৰ ।

*পৰিশিষ্ট (Annexure-I) PDF আকাৰে অনলাইন যোগে <u>www.cms.neva.gov.in</u> ত দাখিল কৰা হ'ল।*

*************

Annexure-I

# ASSAM FARMER REGISTRY DISTRICT WISE PROGRESS REPORT - 14th July 2026

| SN | District | Total Registered |
|---|---|---|
| 1 | Sonitpur | 48,813 |
| 2 | Udalguri | 11,559 |
| 3 | Marigaon | 55,717 |
| 4 | Lakhimpur | 74,620 |
| 5 | Dhubri | 67,178 |
| 6 | Kamrup | 1,03,248 |
| 7 | Nagaon | 87,332 |
| 8 | Barpeta | 81,682 |
| 9 | Nalbari | 79,688 |
| 10 | Dibrugarh | 48,752 |
| 11 | Goalpara | 61,053 |
| 12 | Tinsukia | 54,496 |
| 13 | Dhemaji | 57,732 |
| 14 | Biswanath | 40,549 |
| 15 | Kokrajhar | 14,691 |
| 16 | Hojai | 46,556 |
| 17 | Bongaigaon | 39,501 |
| 18 | Golaghat | 53,286 |
| 19 | Darrang | 75,391 |
| 20 | Sivasagar | 55,253 |
| 21 | Chirang | 7,696 |
| 22 | Baksa | 8,217 |
| 23 | Jorhat | 50,477 |
| 24 | Hailakandi | 6,350 |
| 25 | Karimganj | 20,195 |
| 26 | Charaideo | 23,903 |
| 27 | Bajali | 22,246 |
| 28 | South Salmara Mancachar | 20,558 |
| 29 | Majuli | 22,536 |
| 30 | Tamulpur | 1,990 |
| 31 | Kamrup Metro | 8,501 |
| | TOTAL | 13,49,766 |